**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 29**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::::::::::::::::::::::::::::**

১। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। সন্ধিয়া ছয় বজাত ভোট গ্ৰহণৰ সামৰণি পৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ হৰদৈত গংগা এক্সপ্ৰেছৱে মুকলি কৰিব।

৩। উচ্চতম ন্যায়ালয়ে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বিদ্যাৰ্থীসকলৰ বাধ্যতামূলক নামভৰ্তিক ৰাষ্ট্ৰীয় অভিযান হিচাপে আখ্যা দিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়া পৰিকল্পনাৰ অধীনত  ভাৰত বিশ্বাসযোগ্য গোলকীয় ইলেক্ট্ৰনিক্স কেন্দ্ৰৰূপে পৰিগণিত  হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা ৰাজস্থান ৰয়েলছে পাঞ্জাব কিংছক ছয় উইকেটত পৰাস্ত কৰে।

০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। সন্ধিয়া ছয় বজাত ভোট গ্ৰহণৰ সামৰণি পৰিব। এই পৰ্যায়ত ৰাজ্যখনত ৮ খন নিৰ্বাচনী জিলাৰ ১৪২ টা সমষ্টি সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত এহেজাৰ ৪৪৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত ৩ কোটি ২২ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ভিতৰত প্ৰথমবাৰৰ বাবে ভোটদানৰ বাবে সুবিধা লাভ কৰা  ১৮ৰ পৰা ১৯ বছৰ বয়সৰ চাৰি কোটি ২২ লাখৰো অধিক ভোটদাতা আছে।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ মুক্ত আৰু নিকাভাৱে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে ভোটগ্ৰহণৰ সময়ছোৱাত আইন শৃংখলা বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ প্ৰায় দুহেজাৰ ৩২১ টা কোম্পানী আৰু দ্ৰুত সঁহাৰি বাহিনীৰ ৬০০ ৰো অধিক দল নিয়োগ কৰিছে। প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত চি চি টিভি কেমেৰা স্থাপন কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত ৰাজ্যখনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি ৯৩ দশমিক ১-৯ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছিল। ৪ মে'ত অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু পুডুচেৰীৰ ভোট গণনা কৰা হ'ব।

০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ আজিৰ ৰোহটাঙৰ অটল সুৰংগ ভ্ৰমণ প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত বাতিল কৰা হৈছে। চৰকাৰী সূত্ৰ অনুসৰি বেয়া বতৰ, প্ৰচণ্ড বতাহ আৰু অঞ্চলটোত বৰষুণ আৰু তুষাৰপাতৰ আশংকাৰ বাবে নিৰাপত্তাৰ দিশলৈ চাই এই সিদ্ধান্ত লোৱা

হৈছে। হিমাচল প্ৰদেশ ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে অটল সুৰংগ পৰিদৰ্শন কৰাৰ লগতে সীমান্ত পথ সংস্থাৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰাৰ কথা আছিল।

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে সম্প্ৰতি উত্তৰ প্ৰদেশত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি ভ্ৰমণৰ দ্বিতীয় তথা অন্তিম দিনা পুৱা বাৰাণসীৰ শ্ৰীকাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰিব আৰু পূজা-অৰ্চনা আগবঢ়াব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে হৰদয়ত গংগা এক্সপ্ৰেছৱে মুকলি কৰিব। প্ৰায় ৩৬ হাজাৰ ২৩০ কোটি টকা ব্যয়েৰে ৫৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথচোৱা নিৰ্মাণ কৰি উলিওৱা হৈছে। এই পথচোৱাই ৰাজ্যখনৰ পশ্চিম, মধ্য আৰু পূব অঞ্চলসমূহক সংযোগ কৰিব। ইয়াৰ ফলত মিৰাট আৰু প্ৰয়াগৰাজৰ মাজৰ ভ্ৰমণৰ সময় প্ৰায় ৬ৰ পৰা ১২ ঘণ্টা পৰ্যন্ত হ্ৰাস পাব বুলি আশা কৰা হৈছে। পথচোৱাই ৰাজ্যখনৰ মিৰাট, হাপুৰ, বুলন্দচহৰ, আমৰোহা, সম্ভাল, বুদাউ, শ্বাহজাহানপুৰ, হৰদয়, উন্নাও, ৰায়বৰেলি, প্ৰতাপগড় আৰু প্ৰয়াগৰাজ- এই ১২খন জিলা সামৰি ল'ব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি বাৰাণসীৰ বিএলডব্লিউৰ পৰা শ্ৰীকাশী বিশ্বনাথ মন্দিৰলৈ এটা ৰোড শ্ব'ত ভাগ ল'ব। এই ৰোড শ্ব'টোৱে বাৰাণসীৰ ভালেকেইখন গুৰুত্বপূৰ্ণ স্থান সামৰি ল'ব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ভ্ৰমণৰ প্ৰথম দিনা কালি প্ৰধানমন্ত্ৰীগৰাকীয়ে বাৰাণসীত এখন বৃহৎ মহিলা সন্মিলনত অংশ লয়। সন্মিলনত দিয়া ভাষণত শ্ৰীমোদীয়ে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত দেশত মহিলাৰ ভূমিকাৰ প্ৰয়োজনত আলোকপাত কৰে আৰু বিৰোধী দলসমূহে সংসদত নাৰী শক্তি বন্দন অধিনিয়ম সমৰ্থন নকৰি দেশৰ মহিলাসকলক প্ৰতাৰণা কৰাৰ অভিযোগ তোলে।

০০০০

উচ্চতম ন্যায়ালয়ে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বিদ্যাৰ্থীসকলৰ বাধ্যতামূলক নামভৰ্তিক ৰাষ্ট্ৰীয় অভিযান হিচাপে আখ্যা দিছে। সৰ্বোচ্চ ন্যায়ালয়ে কালি  বিনা সাহায্যপ্ৰাপ্ত ব্যক্তিগত প্ৰতিষ্ঠানসহ ওচৰৰ বিদ্যালয়সমূহে যোগ্য শিক্ষাৰ্থীসকলক অনতিপলমে নামভৰ্তিৰ সুবিধা প্ৰদান কৰিবলৈ আইনীভাৱে বাধ্য বুলি ৰায়দান কৰে। ন্যায়াধীশ পি এছ নৰসিম্হা আৰু আলোক আৰাধেক লৈ গঠিত এখন বিচাৰপীঠে কয়, যে দুৰ্বল আৰু অনগ্ৰসৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক বিদ্যালয়ত নামভৰ্তিৰ সুবিধা প্ৰদান নকৰা কাৰ্যই সংবিধানৰ ২১ (ক) অনুচ্ছেদৰ অধীনত প্ৰদান কৰা শিক্ষাৰ মৌলিক অধিকাৰ উলংঘা কৰে। ন্যায়ালয়ে কয়, যে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত এনে শিক্ষাৰ্থীৰ বাবে নিৰ্ধাৰিত ২৫ শতাংশ সংৰক্ষণৰ জৰিয়তে সমাজৰ সামাজিক পৰিকাঠামোৰ পৰিৱৰ্তন আৰু সমতাৰ  প্ৰসাৰ ঘটাব পৰা যায়। বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা সুনিশ্চিত কৰাৰ বাবে আইনখনৰ ফলপ্ৰসূ ৰূপায়ণ জৰুৰী বুলি ন্যায়ালয়ে মত প্ৰকাশ কৰে।

উচ্চতম ন্যায়ালয়ে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত বাচনি লাভ কৰা সত্বেও এগৰাকী শিক্ষাৰ্থীৰ নামভৰ্তি কৰিবলৈ অস্বীকাৰ কৰা লক্ষ্ণৌৰ এখন ব্যক্তিগত বিদ্যালয়ে দাখিল কৰা আবেদন কালি খাৰিজ কৰে। এই সন্দৰ্ভত উচ্চ ন্যায়ালয়ে ইতি পূৰ্বে দিয়া ৰায় বাহাল ৰাখি সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীঠখনে কয়, যে বিদ্যালয়সমূহে চৰকাৰী বিষয়াই যোগ্যতা সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰিব নোৱাৰে বা তেনে সিদ্ধান্ত বাতিল কৰিব নোৱাৰে। ন্যায়ালয়ে কয়, যে ৰাজ্য চৰকাৰে বাচনিপ্ৰাপ্ত শিক্ষাৰ্থীৰ তালিকা প্ৰেৰণ কৰাৰ পাছত বিদ্যালয়সমূহৰ নামভৰ্তিৰ বাহিৰে অন্য বিকল্প নাথাকে। এইক্ষেত্ৰত কোনো ধৰণৰ বাধাৰ সৃষ্টি হ'লে শিক্ষাৰ অধিকাৰ আইন ৰিক্ত প্ৰতিশ্ৰুতি হৈ পৰিব বুলি ন্যায়ালয়ে সকীয়াই দিয়ে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়া পৰিকল্পনাৰ অধীনত ভাৰত বিশ্বাসযোগ্য গোলকীয় ইলেক্ট্ৰনিক্স কেন্দ্ৰৰূপে পৰিগণিত হোৱাৰ দিশত ক্ষীপ্ৰতাৰে অগ্ৰসৰ হৈছে বুলি ৰে'ল, ইলেক্ট্ৰনিক্স আৰু তথ্যপ্ৰযুক্তি মন্ত্ৰী অশ্বনী বৈষ্ণৱে প্ৰকাশ কৰিছে। অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৰ সৈতে কালি বিশাখাপট্টনমত গুগ'ল ক্লাউড এ আই কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি শ্ৰী বৈষ্ণৱে এইদৰে মন্তব্য কৰে।

এই উপলক্ষে এটা সমাৰেশত ভাষণ দি শ্ৰী বৈষ্ণৱে কয়, যে দেশ ব্যাপক পৰিসৰত বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ, চেমি কণ্ডাক্টৰৰ উৎপাদন, আধুনিক চিপ ডিজাইন, কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত ক্ষীপ্ৰতাৰে অগ্ৰসৰ হৈছে। স্মাৰ্ট ফোন সম্প্ৰতি দেশৰ আটাইতকৈ বেছি ৰপ্তানি হোৱা সামগ্ৰীৰূপে পৰিগণিত হোৱা বুলি মন্ত্ৰগৰাকীয়ে উল্লেখ কৰে। তেওঁ গোলকীয় প্ৰযুক্তি কোম্পানীসমূহক ভাৰতবৰ্ষক নিৰ্মাণ আৰু বিকাশৰ নিৰ্ভৰযোগ্য কেন্দ্ৰৰূপে প্ৰত্যক্ষ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে গুগ'লসহ অন্য কোম্পানীসমূহক দেশত ছাৰ্ভাৰ, জি পি ইউ ছিষ্টেম আৰু মেম'ৰি চিপ নিৰ্মাণ কৰিবলৈ আহ্বান জনায়।

০০০০

দেশৰ বৌদ্ধিক সম্পত্তি সামৰ্থৰ পূৰ্ণ ব্যৱহাৰৰ বাবে উদ্ভাৱন আৰু বৌদ্ধিক সম্পত্তি একেলগে ব্যৱহাৰ কৰিব লাগিব বুলি বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোলেৰে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত বিশ্ব বৌদ্ধিক সম্পত্তি দিৱসৰ সামৰণি অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কালি উদ্ভাৱক, শিক্ষাৰ্থী আৰু সংশ্লিষ্ট পক্ষসমূহক পেটেণ্ট অৰ্থাৎ কৃতিস্বত্ব, পণ্যচিহ্ন আৰু বৌদ্ধিক সম্পত্তিৰ অন্য ব্যৱস্থাৰ জৰিয়তে অৱধাৰণা পঞ্জীয়ন কৰিবলৈ আহ্বান জনায়।

শ্ৰী গোৱেলে লগতে খেল সম্পৰ্কীয় বৌদ্ধিক সম্পত্তি পঞ্জীয়নৰ ক্ষেত্ৰত তিনি বছৰৰ বাবে শুল্ক ৰেহাই দিয়া হ'ব বুলি ঘোষণা কৰে। দেশত ক্ৰীড়াৰ ক্ষেত্ৰত উদ্ভাৱনৰ প্ৰসাৰৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা হিচাপে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে যুৱ উদ্ভাৱক আৰু উদ্যমীসকলক উৎসাহিত কৰাৰ লগতে বৌদ্ধিক সম্পত্তি তন্ত্ৰ সুদৃঢ় কৰি তেওঁলোকৰ অৱধাৰণাসমূহৰ সংৰক্ষণ আৰু বাণিজ্যিকীকৰণে এই উদ্যমৰ মূল উদ্দেশ্য। তেওঁ কয়, যে অৱধাৰণাৰ পঞ্জীয়নে অকল উদ্ভাৱনসমূহ সুৰক্ষিত কৰাই নহয়, বৰং বৃহৎ বজাৰ লাভ কৰাত সহায় কৰে।

০০০০

বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে কালি নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধ্যক্ষ এনালেনা বেয়াৰবকক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত মন্ত্ৰীগৰাকীয়ে কয় যে বৈঠকৰ সময়ত দুয়োপক্ষই ৰাষ্ট্ৰসংঘৰ ৮০ বছৰীয়া জয়ন্তীৰ কাৰ্যসূচী, বহনক্ষম উন্নয়নৰ লক্ষ্য, কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ আৰু পশ্চিম এছিয়াৰ সংঘাত সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে

কয় যে এই বৈঠকত মূলতঃ গ্ল'বেল চাউথৰ দেশসমূহৰ বৰ্তমানৰ বাস্তৱতাক প্ৰতিফলিত কৰা সংস্কাৰিত বহুপাক্ষিকতাবাদৰ প্ৰয়োজনত গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ইকুৱেডৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী গেব্ৰিয়েলা ছমাৰফেল্ডে আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰত ভ্ৰমণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা অনুসৰি মন্ত্ৰীগৰাকীয়ে বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰিব। ইয়াৰ পাছত তেওঁ ৰাজঘাটস্থিত গান্ধী সমাধিত মাল্যাৰ্পণ কৰিব। অভ্যাগত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা, বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিযুষ গোয়েল, বিদেশ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকো সাক্ষাৎ কৰাৰ কথা আছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নিউ চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে পাঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে নিৰ্ধাৰণ কৰি দিয়া ২২৩ ৰানৰ বিজয় লক্ষ্য ৰাজস্থান ৰয়েলছে ১৯ অভাৰ আৰু ২টা বলত ৪টা উইকেটৰ বিনিময়ত অতিক্ৰম কৰে। ৰাজস্থান ৰয়েলছৰ হৈ ড'নভান ফেৰেইৰাই সৰ্বাধিক ৫২ ৰান কৰি আউট নোহোৱাক থাকে। দলটোৰ যশস্বী জয়ছৱালে ৫১ ৰান কৰাৰ বিপৰীতে বৈভৱ সূৰ্যবংশীয়ে ১৬টা বলত ৪৩ ৰান সংগ্ৰহ কৰে। পাঞ্জাৱ কিংছৰ হৈ যুজবেন্দ্ৰ চহালে ৩টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ২২২ ৰান কৰে। দলটোৰ হৈ মাৰ্কাছ ষ্টয়নিছে সৰ্বাধিক ৬২ ৰান কৰি আউট নোহোৱাকৈ থকাৰ লগতে প্ৰভসিমৰন সিঙে ৫৯ ৰানৰ বৰঙনি আগবঢ়ায়। ৰাজস্থান ৰয়েলছৰ য়ছৰাজ পুঞ্জাই ২টা উইকেট দখল কৰে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ড'নভান ফেৰেইৰাক প্লেয়াৰ অৱ দ্য মেচৰ সন্মান প্ৰদান কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱানখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ